# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-Aug-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

০০০০০

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কিছুসময়ৰ পিছতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হব। ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃবৰ্গই প্ৰকাশ কৰা অনুসৰি তেওঁক বিমান বন্দৰৰ পৰা পোনে পোনে বশিষ্টৰ অটল বিহাৰী বাজপেয়ী ভৱনলৈ ৰাওনা হব। তেওঁ বিজেপিৰ মূল সমিটিৰ সৈতে বাজপেয়ী ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হব। ইয়াৰ পিছত বিজেপিৰ কাৰ্যকৰ্তা সকলৰ সৈতে নৈশ আহাৰ গ্ৰহণ কৰি তেওঁ নিশাটো কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ পুৰা অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত উপস্থিত হৈ সভাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় কামসমূহ নিয়াৰিকৈ সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে গঠন কৰা মূল সমিতিৰ দ্বিতীয়খন বৈঠকত অংশগ্ৰহণ কৰে। অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনেও অংশগ্ৰহণ কৰা এই বৈঠকত শতবৰ্ষ উদযাপনৰ পৰিকল্পিত কাৰ্যসূচী সমূহৰ বিষয়ে আলোচনা কৰা হয়। অহা ৮ ছেপ্তেম্বৰৰ পৰা হবলগীয়া শতবৰ্ষ উদযাপন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদযাপন কাৰ্যসূচীৰ সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট বিষয়া সকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে , প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা ১৩ ছেপ্তেম্বৰত হবলগীয়া শতবাৰ্ষিকী উদযাপনৰ মুখ্য কাৰ্যসূচীত অংশ লৈ বিশ্ববৰেণ্য শিল্পী গৰাকীক সন্মান জনাব। এইবাৰ অৰুণাচল প্ৰদেশ চৰকাৰেও সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপনৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি খনি আৰু খনিজ পদাৰ্থ বিজ্ঞান বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ দ্বিতীয় এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰিত বুজাবুজি চুক্তিবোৰৰ পৰ্যালোচনা কৰে। বৈঠকত এডভাণ্টেজ আছামত দিয়া প্ৰতিশ্ৰুতি সমূহ বাস্তৱত পৰিণত কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ হোৱা অগ্ৰগতিৰ মূল্যায়ন সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ উপলক্ষে মহান শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই ১০০ টকা মূল্যৰ স্মাৰক মুদ্ৰা জাৰি কৰাত অনুমোদন জনাইছে। এই পদক্ষেপে বিশ্ববন্দিত শিল্পীগৰাকীৰ আদৰ্শ আৰু কৰ্মৰাজিক জনসাধাৰণৰ মাজত উজ্জীৱিত কৰি ৰাখিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক ৰাজ্যবাসীৰ হৈ কৃতজ্ঞতা জনাইছে।

০০০০০

গুৱাহাটী মহানগৰীত আজি বিয়লিৰ ভাগত হোৱা এজাক ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল প্লাৱিত হৈ পৰে। বৰষুণৰ ফলত যোৰাবাট, খানাপাৰা, হাতীগাওঁ, ৰুক্মিনী নগৰ, ভেটাপাৰাকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যায়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ঠায়ে ঠায়েও কৃত্ৰিম বানৰসৃষ্টি হৈছে। মহানগৰীৰ বিভিন্ন অঞ্চলত হোৱা তীব্ৰ যান-জঁটৰ পৰিপ্ৰেক্ষিতত কৰ্মস্থলীৰ পৰা গৃহ অভিমুখী লোকসকলৰ লগতে অন্যান্য পথাচাৰীসকল কেইবাঘণ্টাজুৰি পথ আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীৰ ঠাইবিশিষে বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত ৬ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে।

সম্ভাব্য পৰিস্থিতিলৈ চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দৈনিক অহা-যোৱা কৰা আৰু দূৰণিবটীয়া যাত্ৰীসকলক বৰষুণৰ সময়ছোৱাত অনাৱশ্যকীয় যাত্ৰা এৰাই চলি যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ কোৱা হৈছে। দ' এলেকা আৰু পাহাৰৰ কাষৰীয়া অঞ্চলত জনসাধাৰণক সম্ভাব্য পৰিস্থিতিৰ প্ৰতি সজাগ হৈ থাকিবলৈ সকিয়াই দিয়া হৈছে। জনসাধাৰণক লগতে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা বতৰ সম্পৰ্কীয় খবৰ আৰু পৰামৰ্শাৱলী অনুসৰণ কৰিবলৈ কোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনসাধাৰণক সময়ে সময়ে পৰিস্থিতিৰ বিষয়ে অৱগত কৰিব।

০০০০০

ৰাজ্যৰ ভক্তি আন্দোলনৰ অন্যতম হোতা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰী শ্ৰী হৰিদেৱৰ আজি পৱিত্ৰ আবিৰ্ভাৱ তিথি। শ্ৰীশ্ৰী হৰিদেৱে সমাজক আধ্যাত্মিকতাৰ অমলিন বাট দেখুৱাই মানেৰি, বহৰি, কৈহাটী আদি সত্ৰসমূহ স্থাপন কৰিছিল। ইয়াৰ উপৰি তেওঁ শৰণ সংহিতা, ভক্তিৰস তৰংগিনী, হৰিনাম কীৰ্তন পদ্ধতি আদি আপুৰুগীয়া গ্ৰন্থৰ ৰচনাৰে অসমীয়া ভাষাক সমৃদ্ধ কৰি থৈ গৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৱিৰ্ভাৱ তিথি উপলক্ষে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

০০০০০

সমাপ্ত